আল্লাহৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত সৰ্বপ্ৰথম যি অহী আহিছিল, সেয়া আছিল নিদ্ৰাৱস্থাত নেক সপোনৰ মাধ্যমত।

উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ আল্লাহৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওচৰত সৰ্বপ্ৰথম যি অহী আহিছিল, সেয়া আছিল নিদ্ৰাৱস্থাত নেক সপোনৰ মাধ্যমত। যি সপোন তেখেতে দেখা পাইছিল সেয়া একেবাৰে প্ৰভাতৰ কিৰণৰ নিচিনা প্ৰকাশিত (বাস্তৱ প্ৰমাণিত) হৈছিল। তাৰ পিছত তেখেতে নিৰ্জনতা পছন্দ কৰিবলৈ ধৰিলে আৰু তেওঁ ‘হিৰা’ৰ গুহাত নিৰ্জনে অৱস্থান কৰি ইবাদত কৰিবলৈ ধৰিলে। তেখেতে নিজ পৰিয়ালৰ ওচৰত উভতি আহি কিছুমান খাদ্যসামগ্ৰী লগত লৈ আকৌ উভতি গৈছিল-এনেকৈ তাত তেখেতে কেই ৰাতিমান ‘ইবাদতত মগ্ন আছিল, তাৰ পিছত খাদীজাহ ৰাদ্বিয়াল্লাহু আনহাৰ ওচৰত উভতি আহি আকৌ সেই একেই সময়ৰ বাবে খাদ্যদ্ৰব্য লৈ গুচি গৈছিল। এনেকৈ ‘হিৰা’ গুহাত অৱস্থানকালত তেখেতৰ ওচৰলৈ সত্য (সহকাৰে ফিৰিস্তা) আগমন কৰে। তেখেতৰ ওচৰত এজন মালাক (ফিৰিস্তা) আহি ক’লে, ‘পঢ়া’। আল্লাহৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে ক’লেঃ ‘‘মই পঢ়িব নোৱাৰোঁ”। তেখেত (চাল্লাল্লাহু আলাইহি অছাল্লাম) এ কৈছেঃ ‘তাৰ পিছত তেওঁ মোক সাৱটি ধৰি এনেকৈ চাপ দিলে যে, মই ক্লান্ত হৈ পৰিলোঁ। তাৰ পিছত তেওঁ মোক এৰি দিলে, আকৌ ক’লে ‘পঢ়া’। মই ক’লোঁ◌ঃ ‘মই পঢ়িব নোৱাৰোঁ।’ তেওঁ দ্বিতীয়বাৰ মোক সাৱটি ধৰি এনেকৈ চাপ দিলে যে, মই ভাগৰি পৰিলোঁ। তাৰ পিছত তেওঁ মোক এৰি দিলে, আৰু ক’লে ‘পঢ়া’। মই উত্তৰত ক’লোঁ, ‘মই পঢ়িব নোৱাৰোঁ।’ তাৰ পিছত তেওঁ মোক পুনৰ হেঁচা মাৰি ধৰিলে যে, মই আকৌ ক্লান্ত হৈ পৰিলোঁ। তাৰ পিছত তেওঁ মোক এৰি দিলে, আৰু ক’লেঃ ‘‘পঢ়া তোমাৰ প্ৰতিপালকৰ নামত, যিয়ে সৃষ্টি কৰিছে। তেওঁ মানুহক আলাক্বৰ (ৰক্তপিণ্ডৰ) পৰা সৃষ্টি কৰিছে। পঢ়া, কাৰণ তোমাৰ প্ৰতিপালক মহামহিম।’’- (ছুৰা ‘আল-আলাক্ব ৯৬/১-৩)। তাৰ পিছত এই আয়াতসমূহ লৈ আল্লাহৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে- প্ৰত্যাৱৰ্তন কৰিলে। তেখেতৰ হৃদয় কঁপি আছিল। তেওঁ খাদীজাহ বিন্তে খুৱাইলিদ ৰাদ্বিয়াল্লাহু আনহাৰ ওচৰলৈ আহি ক’লে, ‘মোক চাদৰেৰে আবৃত কৰা’, ‘মোক চাদৰেৰে আবৃত কৰা।’ তেতিয়া তেওঁ তেখেতক চাদৰেৰে আবৃত কৰিলে। যেতিয়া শংকা দূৰ হ’ল। তেতিয়া তেখেতে খাদীজাহ ৰাদ্বিয়াল্লাহু আনহাৰ ওচৰত ঘটনা বৃত্তান্ত জনাই দিলে আৰু ক’লে, মই মোৰ জীৱনক লৈ ভয় কৰি আছোঁ। খাদীজাহ ৰাদ্বিয়াল্লাহু আনহাই ক’লে, ‘আল্লাহৰ শপত, কেতিয়াও নহয়। আল্লাহে আপোনাক কেতিয়াও লাঞ্ছিত নকৰিব। আপুনি দেখোন আত্মীয়-স্বজনৰ লগত সদাচৰণ কৰে, অসহায়-দৰিদ্ৰসকলৰ দায়িত্ব বহন কৰে, নিঃসহায়ক সহযোগিতা কৰে, অতিথিক সমাদৰ কৰে আৰু সত্য পথৰ দুৰ্দশাগ্ৰস্তক সহায় কৰে’। তাৰ পিছত তেখেতক লৈ খাদীজাহ ৰাদ্বিয়াল্লাহু আনহাই তেখেতৰ খুৰাৰ ল’ৰা অৰাক্বাহ ইবনে নাওফাল ইবনে ‘আব্দিল আছাদ ইবনে ‘আব্দিল ‘উযযাহ’ৰ ওচৰলৈ গ’ল, যিয়ে অজ্ঞতা যুগত ‘ঈছায়ী ধৰ্ম গ্ৰহণ কৰিছিল। তেখেতে ইব্ৰানী ভাষা লিখিব পাৰিছিল আৰু আল্লাহৰ তাওফীক অনুযায়ী ইব্ৰানী ভাষাত ইঞ্জীলৰ অনুবাদ কৰিছিল। তেওঁ অতি বৃদ্ধ আছিল আৰু অন্ধ হৈ পৰিছিল। খাদীজাহ ৰাদ্বিয়াল্লাহু আনহাই তেখেতক ক’লে, ‘হে (মোৰ) খুড়াৰ ল’ৰা! আপোনাৰ ভতিজাৰ কথা শুনক।’ অৰাক্বাহে তেখেতক সুধিলে, ‘ভতিজা! তুমি কি দেখিছা?’ আল্লাহৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামে যি দেখিছিল, সকলো ভাঙি-পাতি ক’লে। তেতিয়া অৰাক্বাহে তেখেতক ক’লে, এইজন সেই বাৰ্তা বাহক যাক আল্লাহে মূছা আলাইহিচ্ছালামৰ ওচৰলৈ প্ৰেৰণ কৰিছিল। হায়! মই যদি সেইদিনা থাকিলোঁহেঁতেন। হায়! মই যদি সেইদিনা জীৱিত থাকিলোঁহেঁতেন, যিদিনা

কিছুদিন পিছতে অৰাক্বাহ বিন নাওফলৰ ইন্তিকাল হৈছিল। ইপিনে অহীৰো বিৰতি ঘটিল।

http://www.sunnah.global/hadeeth/as/show/66303